# যীচুৰ দৰে নতুন চলাওঁতাক প্ৰশিক্ষণ দিয়া

## নতুন চলাওঁতাবোৰ পুনৰ উদ্ভৱ কৰা যেনে পিতৃৰ লগত পুত্ৰবোৰ

ল'ৰা-ছোৱালীক শিক্ষা দিয়া সকলে অধ্যয়ন T3b পঢ়া উচিত।

**১। প্ৰাৰ্থনা আৰু ঈশ্বৰৰ বাক্যৰে নতুন চলাওঁতাবিলাকক প্ৰস্তুত কৰা।**

**প্ৰাৰ্থনা ঃ** স্বৰ্গীয় পিতা, আপোনাৰ পুত্ৰ যীচুৱে নতুন চলাওঁতাবিলাকক প্ৰশিক্ষণ দিছিল আৰু এইয়ে কি দৰে কৰা উচিত তাক আমাক দেখুৱালে তেওঁৰ পাঁচনি পৌলেও আমাক এই বিষয়ে বুজালে। নতুন মণ্ডলী আৰু গোটবোৰৰ পৰিচৰ্য্যা কৰিবলৈ অনেক নতুন চলাওঁতাবোৰক শিক্ষা দিবলৈ, অনুগ্ৰহ কৰি আমাক শক্তি আৰু যোগ্যতা দিয়ক।



**মাৰ্ক ৬:১-৬** চাওঁক, এক বৃহৎ লোক সমূহক শিক্ষা দিওঁতে কি ঘটিল।

- যীচুৰ বাক্যলৈ লোকবিলাকে কি দৰে সঁহাৰি দিলে? (তেওঁলোকে আচৰিত হৈ শুনিলে ২ পদ)
- যীচুৰ বাক্য শুনি কেনেকৈ কিছুমানে সঁহাৰি জনালে? (অসন্তোষ্ট হৈ, ৩ পদ, অবিশ্বাস, ৬ পদ)

**মাৰ্ক ৬:৭-১৩** চাওঁক, সৰু দলবোৰত যীচুৱে কেনেকৈ শিক্ষা দিছিল।

- প্ৰশিক্ষণৰ গোটটো কিমান ডাঙৰ? *(সৰ্ব্বমুঠ ১২, ২ জনীয়া সৰু গোট, ৭ পদ)*
- তেওঁৰ প্ৰশিক্ষাৰ্থীসকলৰ বাবে যীচুৱে কি কৰিলে? *(তেওঁলোকৰ কাম কৰিবলৈ তেওঁ ক্ষমতা দিলে, ৭ পদ আৰু কিদৰে কাম কৰিব লাগে, সেই বিষয়ে তেওঁ তেওঁলোকক পৰামৰ্শ দিলে, ৮ পদ)।*
- প্ৰশিক্ষণৰ দলবোৰ কিমান ডাঙৰ আছিল? *(সৰ্বমুঠ ১২, দুজনীয়া সৰু দল ৭ পদ)*
- প্ৰথম বাৰত যীচুৰ প্ৰশিক্ষাৰ্থীসকলে কি প্ৰকাৰৰ কাম কৰিছিল? *(শুভবাৰ্তা প্ৰচাৰ, সুস্থ কৰা কাৰ্য্য)*
- প্ৰশিক্ষাৰ্থীসকলক যীচুৱে আৰ্থিক সাহাৰ্য্য দিছিলনে? *(নাই, ৮ পদ)*
- যীচুৰ প্ৰশিক্ষাৰ্থীসকলে শিকা কামবোৰ ক'ত খটুৱাইছিল? *(গাৱত আৰু ঘৰবোৰত)*

**মাৰ্ক ৬:৩০-৩২** চাওঁক, যীচুৰ প্ৰশিক্ষণ প্ৰাৰ্থীসকল তেওঁলৈ ঘূৰি আহোঁতে কি ঘটিল?

- যীচুৰ পাঁচনিবিলাকে তেওঁক কি কৈছিল? *(তেওঁলোকে কৰা আৰু শিকোৱা সকলোখিনি)*
- যীচুক বৰ্ণনা কৰাৰ পিছত তেওঁলোক ক'লৈ গ'ল? *(বিশ্ৰাম কৰিবলৈ তেওঁবিলাক নিৰ্জ্জন ঠাইলৈ গ'ল)*

### যীচুৰ প্ৰশিক্ষণ প্ৰণালীৰ পাঁচটা মূল সূত্ৰ

- বৃহৎ দলক শিক্ষা দিয়াই যথেষ্ট নহয়, আপুনি সৰু দলটো শিকোৱা উচিত যাতে যেন দলটোৱে কি কৰিছে তাৰ বৰ্ণনা দিব পাৰে।

- যিসকলে তৎক্ষণাৎ নিজে শিক্ষাটো কামত খটুৱায়।
- আপোনাৰ প্ৰশিক্ষাৰ্থীক তেওঁলোকৰ কাম কৰাৰ অধিকাৰ দিয়ক, আৰু কেনেকৈ ক'ত কৰিব তাৰ পৰামৰ্শ দিয়ক।
- তেওঁবিলাকে কিছুমান কাম কৰাৰ পাছত, তেওঁবিলাকে কি কৰিলে আৰু কলে, সেই বিষয়ে শুনক।
- পৰিচৰ্য্যাকাৰী সকলৰ লগত মাজে-সময়ে নিৰ্জ্জন ঠাইলৈ গৈ বিশ্ৰাম আৰু অধিক শিকাৰ ব্যৱস্থা কৰক।

**২ তীমথিয় ২:১-২** চাওঁক, কোনে কাক প্ৰশিক্ষণ দিয়া উচিত

- তীমথিয়ৰ লগত পৌলৰ সম্বন্ধৰ ব্যাখ্যা কৰক। *(এই যে পিতৃয়ে তেওঁৰ পুত্ৰক শিকোৱাৰ দৰে)*
- পৌলে কাক শিক্ষা দিছিল? *(তীমথিয় আৰু আন লোকবিলাকক, লগতে চীল আৰু তীতক)*
- তীমথিয়ই কাক শিকাব লগা হৈছিল? *(বিশ্বাসী শিষ্যবিলাকক)*
- বিশ্বাসী শিষ্যবিলাকে কাক শিকাইছিল? *(আন বিলাকক)*
- প্ৰশিক্ষণৰ শাৰীত কিমান জড়িত আছিল? *(চাৰিটাঃ পৌল, তীমথিয়, বিশ্বাসীবিলাক, আনবিলাক)*

**কলচীয়া ১:১-৯** আৰু **৪:১৫-১৮** পদত চাওঁক, পৌলৈ কেনেকৈ নতুন চলাওঁতা সকলক শিকাইছিল।

- পৌলৰ প্ৰধান প্ৰশিক্ষাৰ্থী কোন আছিল? *(তীমথিয় ১ পদ)*
- সহ-কৰ্ম্মী ৰূপে পৌল আৰু তীমথিয়ই কাক শিকাইছিল? *(ইপাফ্ৰাক, ৭ পদ)*
- কলচীত বিশ্বাসীসকলক কোনে শিকাইছিল? *(ইপাফ্ৰাই, ৭ পদ। তীমথিয় আৰু পৌলক কলচীয়াবিলাকৰ বৃদ্ধি আৰু প্ৰয়োজন সম্পৰ্কে তেওঁ জনাইছিল।)*
- পত্ৰ লিখাৰ উপৰিও পৌল আৰু তীমথিয়ই কেনেকৈ কলচীয়া বিলাকৰ পৰিচৰ্য্যা কৰিছিল? *(তেওঁলোকৰ নিমিত্তে প্ৰাৰ্থনা কৰিছিল)*

## পৌলৰ প্ৰশিক্ষণ প্ৰণালীৰ পৰা ছয়টা মূলসূত্ৰ

- নতুন চলাওঁতা আৰু প্ৰশিক্ষণৰ মাজত পিতা-পুত্ৰৰ সম্বন্ধ থকা উচিত। আপোনাৰ সংস্কৃতিত এনে ধৰণৰ সম্বন্ধক কি বোলা হয়?
- তেওঁলোকৰ মণ্ডলীত আৰু নতুন মণ্ডলীবিলাকত অধিক অভিজ্ঞ চলাওঁতাবিলাকে প্ৰশিক্ষণ দিয়া উচিত।
- প্ৰশিক্ষণ প্ৰাপ্ত সকলে আন নতুন কাম কৰোঁতাসকলক তৎক্ষণাৎ প্ৰশিক্ষণ দিয়া উচিত।
- প্ৰশিক্ষাৰ্থী সকলৰ প্ৰধান গুণ বিশ্বাসযোগ্য হোৱা, সেয়ে তেওঁবিলাকৰ নিয়ম হোৱা উচিত।
- প্ৰশিক্ষাৰ্থীসকলে তেওঁলোকৰ মণ্ডলীৰ বিষয়ে জানি তেওঁলোকৰ নিমিত্তে প্ৰাৰ্থনা কৰিব লাগে।
- মণ্ডলীৰ আৰু চলাওঁতাবিলাকৰ প্ৰয়োজন পূৰণ কৰিবলৈ প্ৰশিক্ষক সকলে প্ৰশিক্ষণৰ সজুঁলি লিখা উচিত।

২। **আগৰ সপ্তাহটোত হব লগীয়া কাম-কাজৰ আঁচনি সহ-কৰ্ম্মী সকলৰ লগত কৰক।**

আপোনাৰ প্ৰশিক্ষাৰ্থী সকলে নতুন **চলাওঁতাবোৰক** প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰক আৰু অধ্যয়নৰ এই কিতাপবোৰ দিয়ক।

পৰিয়ালৰ মূৰব্বী সকলক **পৰিদৰ্শন** কৰক, প্ৰাৰ্থনা ও ঈশ্বৰৰ আৰাধনাৰে তেওঁলোকৰ পৰিয়ালবোৰক চলাই নিবলৈ তেওঁলোকক শিক্ষা দিয়ক।

শুভবাৰ্তা ব্যাপি যোৱা ঠাইৰ বিষয়ে **আলোচনা কৰক**, আৰু ঘৰত গোট খোৱা দলবোৰক চলাব পৰা সকলক চিনাক্ত কৰক।

আপোনাৰ প্ৰশিক্ষণৰ দলবোৰৰ প্ৰয়োজনবোৰ **জানক**, আৰু তেওঁবিলাকৰ সহায় অৰ্থে চমু অধ্যয়নবোৰ লিখক।

সহজে পাব পৰা ঠাইত এই অধ্যয়নৰ সজুলিবোৰ **গোটাই থব**, আৰু আন কৰ্ম্মীসকলৰ লগত ভগাই লব।

**৩। পিছৰ উপাসনাৰ বাবে সহ-কৰ্ম্মীসকলৰ লগত আঁচনি কৰক।**

যীচুৱে কি দৰে নতুন চলাওঁতাবোৰক প্ৰশিক্ষণ দিছিল, **ব্যাখা কৰক**। (ওপৰত দিয়া বাইবেলৰ পদবোৰ আৰু প্ৰশ্নবোৰ ব্যৱহাৰ কৰক)।

পৌল আৰু তীমথিয়ে কি দৰে নতুন চলাওঁতাবোৰক প্ৰশিক্ষণ দিছিল ব্যাখা কৰক, আমি কেনেকৈ কৰিম সেই বিষয়েও **আলোচনা কৰক।**

**লৰা-ছোৱালীয়ে** প্ৰস্তুত কৰা খিনি দেখুৱাবলৈ দিয়ক।

নতুন চলাওঁতাক প্ৰশিক্ষণ দিয়া কৰ্ম্মী সকলক তেওঁলোকৰ বৃদ্ধি আৰু প্ৰয়োজনীয়তাৰ **ৰিপোৰ্ট** (খতিয়ান) দিবলৈ কওঁক।

**প্ৰভু-ভোজ** স্থাপন কৰিবলৈ গননাপুস্তক ৯:১-২ পঢ়ক আৰু ব্যাখা কৰক।

- ঈশ্বৰে তেওঁৰ লোকবিলাকক দাসত্বৰ পৰা মুক্ত কৰাৰ এবছৰৰ পিছতেই তেওঁবিলাকৰ প্ৰথমে জন্মা শিশুবিলাক কেনেকৈ এটা মেৰ পোৱালিৰ তেজৰ দ্বাৰাই ৰক্ষা পোৱা কথা সোঁৱৰণ কৰি নিস্তাৰ পৰ্ব পালন কৰিবলৈ নতুন চলাওঁতা বিলাকে চলাই নিছিল।
- এই পৰ্বক যীচুৱে নতুন নাম দিছিল। তেওঁ আমাৰ নিস্তাৰ পৰ্বৰ মেৰ পোৱালি।

নতুন চলাওঁতাবিলাকক শিকাবলৈ আৰু আন আন ঠাইবিলাকত শুভবাৰ্তা বিলাবলৈ দুই তিনি অথবা চাৰিজনীয়া **দলত** গোট খাই প্ৰাৰ্থনা আৰু আঁচনি কৰক।

শিক্ষকৰ এই নিয়মটি **মনত ৰাখক** ঃ মই যেনেকৈ খ্ৰীষ্টৰ অনুকাৰী, তোমালোকো তেনেকৈ মোৰ অনুকাৰী হোৱা (১ কৰিন্থীয়া ১১:১)।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net